দাঙি ধৰা, সেইবোৰকে **কাহিনী-প্ৰধান উপন্যাস** বোলা হয়। এই শ্ৰেণীৰ উপন্যাসত চৰিত্ৰৰ নিজস্ব মূল্য একো নাথাকে, কেৱল কাহিনীটো প্ৰকাশ কৰাৰ কাৰণে চৰিত্ৰ অৱলম্বন স্বৰূপে লোৱা হয়। অৰ্থাৎ, চৰিত্ৰ কাহিনীৰ অলঙ্কাৰ স্বৰূপ। গতিকে, এইবোৰ উপন্যাসত কোনো চৰিত্ৰই পূৰ্ণ পৰিণতি লাভ নকৰিলেও বিশেষ কথা নাথাকে। আনহাতে, যিবোৰ উপন্যাসৰ মুখ্য উদ্দেশ্য চৰিত্ৰ সৃষ্টি কৰা, সেইবোৰকে বোলা হয় **চৰিত্ৰ-প্ৰধান উপন্যাস**। এই শ্ৰেণীৰ উপন্যাসত চৰিত্ৰ মুখ্য, কাহিনী গৌণ। ইয়াত উপন্যাসৰ সকলো কথা, সকলো ঘটনা চৰিত্ৰৰ বিকাশৰ কাৰণে প্ৰয়োগ কৰা হয়। এই দুয়ো শ্ৰেণীৰ উপন্যাসৰ ভিতৰত চৰিত্ৰপ্ৰধান উপন্যাসৰ মূল্যই অধিক। কাহিনীয়ে পঢ়ুৱৈৰ মনত যি ৰেখাপাত কৰে সি অস্থায়ী, কিন্তু চৰিত্ৰই যি ছাপ বহুৱায় সি গভীৰ আৰু স্থায়ী।

উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সমানুপাত ৰক্ষা কৰা বেছ জটিল কথা। কাহিনীৰ ওপৰত অধিক গুৰুত্ব দিবলৈ গ'লে চৰিত্ৰৰ গুৰুত্ব কমি যোৱাৰ সম্ভাৱনা আৰু চৰিত্ৰৰ ওপৰত গুৰুত্ব দিবলৈ গ'লে কাহিনীৰ গতিত আউল লগাৰ সম্ভাৱনা। ইংৰাজ ঔপন্যাসিক স্কটৰ উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ বিসংগতি পৰিলক্ষিত হয়। চৰিত্ৰৰ খাতিৰত তেওঁৰ কাহিনীয়ে বহুত ক্ষেত্ৰত বাট এৰি অবাটে যোৱাৰ দৃষ্টান্ত পোৱা যায়। আমাৰ বৰদলৈৰ উপন্যাস কিছুমানতো এই দৃষ্টান্ত পোৱা যায়। অৱশ্যে এইটো কথা ঠিক যে কাহিনী-প্ৰধান আৰু চৰিত্ৰ-প্ৰধান— এই দুয়ো শ্ৰেণীৰে শ্ৰেষ্ঠ উপন্যাস আছে। তথাপি কাহিনী-প্ৰধান উপন্যাসতকৈ চৰিত্ৰ-প্ৰধান উপন্যাসেহে শ্ৰেষ্ঠতাৰ বিশেষ দাবী কৰা দেখা যায়।

**কথোপকথন ঃ**

কাহিনী আৰু চৰিত্ৰৰ পাছতে উপন্যাসৰ আন এটা উল্লেখযোগ্য উপাদান হ'ল কথোপকথন। সুপৰিবেশিত কথোপকথনে উপন্যাসৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰে। কথা-বতৰাৰ মাজেদি মানুহৰ মাজত যেনেকৈ সহৃদয়তাৰ সৃষ্টি হয় তেনেকৈ কথোপকথনৰ জৰিয়তেও চৰিত্ৰ আৰু পাঠকৰ মাজত ঘনিষ্ঠ সম্পৰ্কৰ সৃষ্টি হয়। তদুপৰি ইয়াৰ জৰিয়তে বৰ্ণনীয় বিষয় অধিক স্পষ্ট হৈ পৰে। কথোপকথনৰ আন এটা বৈশিষ্ট্য হ'ল নাটকীয়তা। ইয়াৰ দ্বাৰা আলোচ্য বিষয় নাটকীয় গুণসমৃদ্ধ হৈ উঠে। সেই কাৰণেই আধুনিক যুগৰ উপন্যাসত কথোপকথনৰ ক্ৰমবৰ্ধমান পৰিমাণ পৰিলক্ষিত হয়। কথোপকথনৰ সম্পৰ্ক দুহতীয়া। এহাতে ই কাহিনীৰ লগত সংপৃক্ত আৰু আনহাতে চৰিত্ৰৰ লগতো ঘনিষ্ঠভাৱে জড়িত। তথাপি কথোপকথনৰ প্ৰধান সম্পৰ্ক চৰিত্ৰৰ লগত— কাহিনীৰ লগত নহয়। চৰিত্ৰ অবিহনে যেনেকৈ কথোপকথনৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি, তেনেকৈ কথোপকথনৰ মাজেদিহে চৰিত্ৰৰ অন্তৰ্নিহিত নিগূঢ় বৈশিষ্ট্যবোৰ ওলাই পৰে।

উপন্যাসৰ কথোপকথন প্ৰয়োজনাৰো নিৰ্দিষ্ট ৰীতি আছে। প্ৰথম, কাহিনীৰ লগত ইয়াৰ সুসামঞ্জস্য থাকিব লাগিব। অৰ্থাৎ, কাহিনীৰ ক্ৰমবিকাশত ই সহায়ক হ'ব লাগিব। তাৰ উপৰি কথোপকথনৰ দ্বাৰা কাহিনীৰ লগত থকা চৰিত্ৰৰ সম্পৰ্কটো পৰিস্ফুট হৈ উঠা বাঞ্ছনীয়। বাহুল্য কথোপকথন একান্তভাৱে বৰ্জনীয়। বিষয়বস্তুৰ লগত সম্পৰ্কবিহীন কথোপকথনে উপন্যাসৰ ঐক্য ক্ষুণ্ণ কৰে। আমাৰ বৰদলৈৰ উপন্যাসত এনে কথোপকথনৰ নিদৰ্শন যথেষ্ট। ইংৰাজ ঔপন্যাসিক বাউলাৰৰ উপন্যাসতো এনে বিসঙ্গতি দেখা যায়। বিষয়বস্তুৰ লগত অপৰিহাৰ্য সম্পৰ্ক থকাৰ উপৰি কথোপকথন হ'ব লাগিব যথাৰ্থধৰ্মী, যথোপযোগী আৰু নাটকীয় গুণধৰ্মী। বক্তাৰ ব্যক্তিত্বসাপেক্ষে প্ৰতি আষাৰ কথা ৰচিত হ'ব লাগিব। অৰ্থাৎ, চৰিত্ৰভেদে কথোপকথনো বিচিত্ৰ হোৱা বাঞ্ছনীয়। এইটো ঠিক যে আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কথা-বাৰ্তাৰ যথাযথ চিত্ৰণো উপন্যাসৰ কথোপকথন হ'ব নোৱাৰে। আনহাতে, প্ৰাত্যহিক বাস্তৱ ৰীতিৰ পৰা আঁতৰি গ'লেও কথোপকথন কৃত্ৰিম, নিষ্প্ৰাণ আৰু অতি নাটকীয় হৈ পৰাৰ সম্ভাৱনা পদে পদে। বৰদলৈৰ উপন্যাসত কৃত্ৰিম কথোপকথনৰ নিদৰ্শন পোৱা যায়। তেনেকৈ ডিকেন্সৰ উপন্যাসত অতি নাটকীয়তা পৰিদৃষ্ট হয়। গতিকে উৎকৃষ্ট কথোপকথন হ'বলৈ হ'লে দৈনন্দিন জীৱনৰ কথা-বাৰ্তা আৰু অতি নাটকীয়তা— এই দুটাৰ মধ্যৱৰ্তী হ'ব লাগিব।[১]

**পৰিৱেশ সৃষ্টি ঃ**

পৰিৱেশ সৃষ্টি উপন্যাসৰ আন এটা উল্লেখযোগ্য উপাদান। নাটকৰ পৰিৱেশ সৃষ্টিতকৈ উপন্যাসৰ পৰিৱেশ সৃষ্টি জটিলতৰ। নাটকীয় অভিনয়ত বাদ্য-যন্ত্ৰ, সাজপাৰ, মঞ্চকৌশলে পৰিৱেশ সৃষ্টিত বিশেষ সাহায্য কৰে। কিন্তু উপন্যাসত সেই সকলোবোৰ কথা বৰ্ণনাৰ মাজেদি মূৰ্ত কৰি তুলিবলগীয়া হয়। চৰিত্ৰৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, জীৱন-ধাৰণ প্ৰণালী, আখ্যানৰ পটভূমি, পাৰিপাৰ্শ্বিক অৱস্থা আদি সকলো কথা পৰিৱেশৰ অন্তৰ্গত। এইফালৰ পৰা পৰিৱেশক দুটা ভাগত ভগাব পাৰি— **সামাজিক (Social)** আৰু **বাস্তৱিক (Material)**। এই দুয়োটাৰ ভিতৰত প্ৰথমটোৰ কথা বিশেষ গুৰুত্বপূৰ্ণ। সাধাৰণতে উপন্যাসৰ মাজেৰে সমাজৰ বিভিন্ন স্তৰৰ চিত্ৰ প্ৰতিফলিত কৰা হয়। এই সম্পৰ্কত **আঞ্চলিক উপন্যাসৰ (Regional Novel)** কথা আহি পৰে। এই শ্ৰেণীৰ উপন্যাসত স্থানীয় সহজ অৱস্থাৰ মাজত স্থানীয় চৰিত্ৰ অঙ্কন কৰা হয়। বহুত সময়ত আকৌ চৰিত্ৰবোৰক এটা ভিন্ন পৰিৱেশৰ

১। "His aim must therefore be, not to report the actual talk of every day men and women, but to give such a convention-alised version of this as shall at once maintain the required dramatic repidity and power, and leave the reader with a satisfying general sense of naturalness and reality."
— Hudson

মাজত পেলাই দি তাৰ চাৰিত্ৰিক বৈশিষ্ট্যখিনি ব্যক্ত কৰা হয়। যিকোনো পদ্ধতিত ৰচা উপন্যাসে নহওক, চৰিত্ৰ আৰু পৰিৱেশৰ মাজত অবিচ্ছেদ্য সম্পৰ্ক। গতিকে উপন্যাসৰ চৰিত্ৰৰ স্তৰ অনুযায়ী তাৰ পৰিৱেশো যথোপযুক্ত হোৱা বাঞ্ছনীয়।

বুৰঞ্জীমূলক উপন্যাসত পৰিৱেশ সৃষ্টি আৰু জটিলতৰ। বুৰঞ্জীৰ পৰিৱেশ যুগসন্মত হোৱা প্ৰয়োজনীয়। অৰ্থাৎ, উপন্যাসত যি যুগৰ কাহিনী বিবৃত হয়, তাৰ পৰিৱেশো সেই যুগৰ পৰিচায়ক হ'ব লাগিব। ঔপন্যাসিকৰ কল্পনাই যাতে যুগ-সম্ভাবনাক অতিক্ৰম কৰি নাযায়, সেই বিষয়ে তেওঁ বিশেষ সতৰ্ক হোৱা বাঞ্ছনীয়। অৰ্থাৎ, যি যুগত যেনেকুৱা ঘটনা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ সম্ভাৱনা, উপন্যাসতো সি তেনেভাৱে চিত্ৰিত হ'ব লাগিব।

বস্তুগত পৰিৱেশক উপন্যাসৰ পটভূমি বুলিও ক'ব পাৰি। উপন্যাসত বৰ্ণিত ঘটনাৰ পটভূমিৰ লগত, বিশেষকৈ প্ৰাকৃতিক পটভূমিৰ লগত যথেষ্ট সম্পৰ্ক থাকে। বৰ্ণনামূলক কবিৰ দৰে ঔপন্যাসিকে বিভিন্ন ৰকমে উপন্যাসৰ প্ৰাকৃতিক দৃশ্য বৰ্ণনা কৰিব পাৰে। সেই প্ৰাকৃতিক দৃশ্যাৱলীক উপন্যাসৰ চৰিত্ৰৰ লগত সম্বন্ধবিহীনভাৱে কেৱল চিত্ৰৰ উদ্দেশ্যে অঙ্কন কৰিব পাৰে, নাইবা চৰিত্ৰবোৰৰ লগত সম্পৰ্ক জড়িতৰূপে অঙ্কন কৰিব পাৰে। চৰিত্ৰৰ লগত পটভূমিৰ সম্পৰ্ক দুই ৰকমৰ হ'ব পাৰে— **বিৰোধমূলক** আৰু **সহানুভূতিসূচক**। প্ৰথমবিধতকৈ দ্বিতীয়বিধ পটভূমিৰ নিদৰ্শন অধিক। উদাহৰণ স্বৰূপে, নায়ক বা নায়িকাৰ বিপৰ্যয়ে গৈ গৈ যেতিয়া চৰম অৱস্থা পায়, তেতিয়া তাৰ সহানুভূতিসূচকভাৱে ধুমুহা, শিলাবৃষ্টি আদিৰ অৱতাৰণা কৰি, কাৰুণ্য অধিক ঘনীভূত কৰি তোলা হয়। এই ধৰণৰ পটভূমিত প্ৰকৃতিয়ে কেতিয়াবা আকৌ প্ৰতীকৰ আকাৰ ধাৰণ কৰে। আনহাতে, বিৰোধমূলক পটভূমিৰ দ্বাৰা মানুহৰ অতি প্ৰকৃতিৰ নিষ্ঠুৰ উদাসীনতাকে ৰূপায়িত কৰা হয়।

### ঔপন্যাসিকৰ জীৱন-দৰ্শন ঃ

উপন্যাসৰ সম্পৰ্ক মানৱ জীৱনৰ লগত। সেই মানৱ জীৱনৰ চিত্ৰ আঁকিবলৈ যাওঁতে জীৱন সম্পৰ্কে থকা ঔপন্যাসিকৰ ব্যক্তিগত ধাৰণা তেওঁৰ ৰচনাত নিপতিত হয়। তাৰ কাৰণ হ'ল, উপন্যাসৰ মাজেৰে যি জীৱনৰ ছবি অঙ্কিত হয়, সি যিমান কি বাস্তৱ নাইবা আদৰ্শাত্মক নহ'ক, সি ঔপন্যাসিকৰ মনেগঢ়া। গতিকে সেই মনেগঢ়া, কল্পিত জীৱন-চিত্ৰৰ ওপৰত লেখকৰ ব্যক্তিগত ধাৰণা নিপতিত হ'বই। এই ব্যক্তিগত ধাৰণা উপন্যাসত দুই ৰকমে নিপতিত হ'ব পাৰে— **প্ৰত্যক্ষৰূপে** আৰু **পৰোক্ষৰূপে**। নাটকত পৰোক্ষৰূপেহে নাট্যকাৰৰ জীৱন-দৰ্শন ফুটি উঠে। কিন্তু উপন্যাসত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো ৰকমে লেখকৰ ধাৰণা ব্যক্ত হ'ব পাৰে। সেই বুলি জীৱন-দৰ্শনৰ নামত কোনো নিৰ্দিষ্ট দাৰ্শনিক তত্ত্বৰ উদ্দেশ্যক উপস্থাপন কৰিবলৈ যোৱাটো সম্পূৰ্ণ দোষণীয়। ঔপন্যাসিকৰ কৰ্তব্য জীৱনৰ ঘাত-

প্ৰতিঘাত চিত্ৰণহে, দাৰ্শনিক তত্ত্ব প্ৰতিপাদন নহয়। সেই কাৰণে উপন্যাসত ঘটনাৰ স্বাৰ্থ মুখ্য, জীৱন-দৰ্শন গৌণ।

ঔপন্যাসিকৰ জীৱনদৰ্শন দুটা ভাগত বিভক্ত— **সততা আৰু নৈতিকতা।** ঔপন্যাসিকৰ সত্য আৰু বৈজ্ঞানিক সত্যৰ মাজত যথেষ্ট পাৰ্থক্য। বৈজ্ঞানিক সত্যতকৈ ঔপন্যাসিকৰ সত্য অধিক গভীৰ আৰু বিশাল। বৈজ্ঞানিক সত্যই যি আছিল বা আছে, তাৰ পুঙ্খানুপুঙ্খ বৰ্ণনা কৰে; কিন্তু ঔপন্যাসিক বা কাব্যিক সত্যই যি আছিল বা আছেৰ উপৰি, যি হ'ব পাৰে তাৰো ইঙ্গিত দিয়ে। গতিকে ইয়াক সম্ভাব্য-সত্য বুলিও অভিহিত কৰিব পাৰি। এই দুই ধৰণৰ সত্যৰ ওপৰত নিৰ্ভৰ কৰি সাহিত্যক দুই শ্ৰেণীত ভাগ কৰিব পাৰি— **জ্ঞানবাদী সাহিত্য (Literature of Knowledge)** আৰু **সৃষ্টিশীল সাহিত্য (Creative Literature)**। বিষয়বস্তুৰ পুঙ্খানুপুঙ্খতা জ্ঞানবাদী সাহিত্যৰ মূলবস্তু। যুগৰ অগ্ৰগতি আৰু ক্ৰমবিকাশৰ লগে লগে সাহিত্যও পৰিৱৰ্তিত আৰু পুৰণি হৈ যায়। সেইকাৰণে বৈজ্ঞানিক গ্ৰন্থসমূহ নতুন নতুনকৈ ৰচনা কৰিবলগীয়া হয়, বুৰঞ্জীকো বাৰে বাৰে সংশোধন কৰিবলগীয়া হয়। কিন্তু কাব্যিক সত্য বা সাহিত্যিক সত্যযুক্ত গ্ৰন্থত যি মানৱীয় বৈশিষ্ট্যসমূহৰ অঙ্কন কৰা হয়, যুগৰ পৰিৱৰ্তনৰ লগত সিবোৰ ইমান কম পৰিমাণে পৰিৱৰ্তিত হয় যে সেই গ্ৰন্থসমূহৰ পুনৰ্লিখন বা সংশোধন সম্ভৱপৰ বা প্ৰয়োজনীয় নহয়। উদাহৰণ স্বৰূপে এৰিষ্টটলৰ বৈজ্ঞানিক তথ্যসমূহৰ আজি আৰু বিশেষ মূল্য নাই, কিন্তু ছেক্‌স্পিয়েৰৰ নাটকসমূহৰ মূল্য আঁতৰায় কোনে?

ঔপন্যাসিক সত্যৰ লগতে উপন্যাসত নৈতিকতাৰ স্থান সম্পৰ্কীয় কথাটোও আলোচনা কৰা বাঞ্ছনীয়। ঔপন্যাসিকৰ জীৱন দৰ্শনৰ অন্তৰালত বহুত ক্ষেত্ৰত নৈতিক আদৰ্শ নিহিত থাকে। কিন্তু সেই বুলি নিৰ্দিষ্ট নৈতিক আদৰ্শ প্ৰচাৰ উপন্যাসৰ ধৰ্ম হ'ব নোৱাৰে। ঔপন্যাসিকৰ প্ৰধান কৰ্তব্য হ'ল জীৱনৰ ঘটনাৰাজিৰ চিত্ৰণ, দৰ্শন বা নীতিবাদ ইয়াৰ আনুষঙ্গিক। অৱশ্যে আনুষঙ্গিক হ'লেও উপন্যাসত নৈতিকতাৰ প্ৰয়োজন আছে। কাৰণ উপন্যাসৰ জন্ম হয় জীৱনৰ পৰা নাইবা ঔপনাসিকে জীৱনক লৈয়ে খেলা কৰে। সেইকাৰণে তেওঁ নৈতিকতাৰ পৰা আঁতৰি থকাটো সম্ভৱ নহয়। আনহাতে ঔপন্যাসিকৰ নৈতিক ভাবাদৰ্শ বা জীৱন-দৰ্শনৰ প্ৰভাৱেহে উপন্যাসক প্ৰকৃত মহত্ত্ব দান কৰে।

## উপন্যাসৰ বিভাগ

ওপৰত কাহিনী, চৰিত্ৰ আৰু তাৰ প্ৰকাশভঙ্গি অনুযায়ী উপন্যাসৰ বিভিন্ন বিভাগৰ কথা আলোচনা কৰা হ'ল। বিষয়বস্তু অনুসৰি উপন্যাসক আকৌ বিভিন্ন শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে— বুৰঞ্জীমূলক, সামাজিক, ডিটেক্‌টিভ ইত্যাদি।

**বুৰঞ্জীমূলক উপন্যাস ঃ**

বুৰঞ্জীৰ কাহিনীৰ ওপৰত নিৰ্ভৰ কৰি লিখা উপন্যাসক বুৰঞ্জীমূলক উপন্যাস বোলে। এই শ্ৰেণীৰ উপন্যাসত লেখকৰ দৃষ্টি অতীতমুখী হয় আৰু বুৰঞ্জীৰ পৰা আহৰণ কৰা নিৰস সমল কিছুমানকে ৰসোত্তীৰ্ণ সাহিত্যত পৰিণত কৰে। বুৰঞ্জীমূলক উপন্যাস ৰচনাৰ সুবিধা এইখিনিতে যে ইয়াত এটা পূৰ্ব-প্ৰস্তুত কাহিনী পায়, লেখকে আৰু নিজাকৈ কাহিনী উদ্ভাৱন কৰিবলগীয়া নহয়। তদুপৰি এইবোৰ উপন্যাসত বহিৰ্সংঘাত দেখুৱাৰ সুবিধা বেছি। কাহিনীৰ ক্ৰমগতিত এই সংঘাতবোৰ সহায়ক হয়। কিন্তু সেইবুলি সংঘাতপূৰ্ণ পূৰ্বপ্ৰস্তুত কাহিনী পালেও যেয়ে সেয়ে উৎকৃষ্ট বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰিব নোৱাৰে। তাৰ কাৰণে লেখকৰ বিশেষ প্ৰতিভাৰ প্ৰয়োজন।

এইখিনিতে ঐতিহাসিক উপন্যাসৰ প্ৰয়োজনীয়তাৰ কথাটো আহি পৰে। এই শ্ৰেণীৰ উপন্যাসৰ সাৰ্থকতা ক'ত? অৰ্থাৎ, যিটো ঘটনা মানুহে বুৰঞ্জীত পঢ়িবলৈ পায়, সেই ঘটনাটোকে আকৌ উপন্যাসৰ মাজেৰে পঢ়াৰ যুক্তি ক'ত? গতিকে এইখিনিতে বুৰঞ্জীমূলক উপন্যাস আৰু বুৰঞ্জীৰ সম্পৰ্কৰ কথাটো বিচাৰ কৰিবলগীয়া হয়। বুৰঞ্জীৰ কাহিনীৰ আলম ল'লেও বুৰঞ্জীমূলক উপন্যাস বুৰঞ্জী নহয়, আৰু তেনেকৈ কাহিনী আৰু চৰিত্ৰ থাকে যদিও বুৰঞ্জীও উপন্যাস হ'ব নোৱাৰে। অৰ্থাৎ, একেবোৰ উপাদানৰ পৰাই এখন বুৰঞ্জী আৰু এখন উপন্যাস ৰচিত হ'ব পাৰে। গতিকে ঐতিহাসিক উপন্যাস আৰু ইতিহাসৰ পাৰ্থক্যটো বিষয়-বস্তুগত নহয়, প্ৰকাশভঙ্গিতহে। ঐতিহাসিকৰ প্ৰধান সম্পৰ্ক ঐতিহাসিক সত্যৰ লগত, কিন্তু বুৰঞ্জীমূলক উপন্যাসৰ সম্পৰ্ক ৰসসৃষ্টিৰ লগত, ঐতিহাসিক সত্যৰ স্বাৰ্থ গৌণ। বিশ্বকবি ৰবি ঠাকুৰে এই কথাটো সুন্দৰভাৱে ব্যক্ত কৰিছে এনেকৈ— "বুৰঞ্জীৰ সংশ্ৰৱত উপন্যাসে এটা বিশেষ ৰসসঞ্চাৰ কৰে। বুৰঞ্জীৰ সেই ৰসৰ প্ৰতি ঔপন্যাসিকৰ লোভ। তাৰ সত্যৰ প্ৰতি তেওঁৰ কোনো খাতিৰ নাই। কোনোৱে যদি উপন্যাসত কেৱল বুৰঞ্জীৰ সেই বিশেষ গোন্ধ আৰু সোৱাদত সন্তুষ্ট নহৈ তাৰ পৰা অখণ্ড বুৰঞ্জী উদ্ধাৰত প্ৰবৃত্ত হয়, তেনেহ'লে তেওঁ ব্যঞ্জনৰ ভিতৰত জীৰা, ধনিয়া, হালধি, সৰিয়হ সন্ধান কৰে। ৰাখৰৰ সুকীয়া ৰূপ ৰাখি বুৰঞ্জীৰ সুকীয়া সোৱাদ যি দিব পাৰে দিয়ক, তেওঁৰ সৈতে আমাৰ কোনো বিবাদ নাই। কাৰণ সোৱাদেই ইয়াত লক্ষ্যৰ বিষয়, ৰাখৰ উপলক্ষহে। সেইবুলি সকলোৰে জনাজাত ঘটনাক সমূলি ওলোটা কৰি উপস্থাপন কৰিলে ৰসভঙ্গ হয়।"[১]

ৰসসৃষ্টিৰ অজুহাত লৈয়ে বুৰঞ্জীমূলক উপন্যাসতো লেখকে কাল্পনিক উপাদান উপস্থাপিত কৰে। লেখকৰ অভিৰুচি অনুযায়ী উপ-ঘটনা আৰু উপ-চৰিত্ৰ সংযোজিত

১। উপেন লেখাৰু, ৰজনীকান্ত বৰদলৈ।

কৰি উপন্যাসৰ বিষয়বস্তুক বিশেষ প্ৰস্ফুটিত কৰি তোলা হয়। সেইখিনি স্বাধীনতা ঔপন্যাসিকৰ আছে। কিন্তু মূল উপাদান আৰু কাল্পনিক উপাদানৰ সমানুপাত ৰক্ষা কৰা বিশেষ জটিল কথা। এটাৰ আধিক্যই আনটোক আচ্ছন্ন কৰি পেলাব পাৰে। অৰ্থাৎ, কাল্পনিক উপাদানত অধিক গুৰুত্ব দিলে যেনেকৈ ঐতিহাসিক স্বাৰ্থ ক্ষুণ্ণ হোৱাৰ সম্ভাৱনা পদে পদে, তেনেকৈ ঐতিহাসিক স্বাৰ্থ বজাই ৰাখিব গ'লেও উপন্যাস নিৰস আৰু বৈচিত্ৰ্যবৰ্জিত হৈ পৰিব পাৰে। সেই কাৰণেই এই শ্ৰেণীৰ উপন্যাস ৰচনাৰ কাৰণে বিশেষ প্ৰতিভাৰ প্ৰয়োজন। বুৰঞ্জীয়ে মানুহৰ ব্যক্তিগত জীৱনৰ কথা বৰ্ণনা নকৰে, তদুপৰি চৰিত্ৰচিত্ৰণো বুৰঞ্জী লেখকৰ উদ্দেশ্য নহয় কাৰণে বুৰঞ্জীৰ চৰিত্ৰবোৰো আংশিক, অসম্পূৰ্ণ হৈ ৰয়। বহুত ক্ষেত্ৰত বহুত কথা অস্পষ্ট হৈ থাকে। ঔপন্যাসিকে সেই সকলোবোৰ স্পষ্ট আৰু বহলভাৱে বৰ্ণনা কৰিব পাৰে, কেৱল ঐতিহাসিক সত্যতা অক্ষুণ্ণ থাকিব লাগিব।

বুৰঞ্জীমূলক উপন্যাসক আকৌ দুটা ভাগত বিভক্ত কৰা হয়— **বিশুদ্ধ** আৰু **মিশ্ৰ**। বুৰঞ্জীৰ স্বাৰ্থকে মুখ্য কৰি ৰাখি ৰচনা কৰা উপন্যাসক বিশুদ্ধ বুৰঞ্জীমূলক উপন্যাস বোলে। স্কটৰ 'Queenhoo Hall', থেকাৰেৰ 'Esmond', বঙ্কিমচন্দ্ৰৰ 'ৰাজৰ্ষি', ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী', 'ৰঙ্গিলী' আদি এই শ্ৰেণীৰ উপন্যাস। কিছুমান উপন্যাসত আকৌ ঐতিহাসিক পটভূমিত কাল্পনিক ঘটনা চিত্ৰিত কৰা হয়। অৰ্থাৎ, ইয়াত ঐতিহাসিকতা অৱলম্বন মাত্ৰ, কাল্পনিক কথাইহে ইয়াত বিশেষ প্ৰাধান্য বিস্তাৰ কৰে। স্কটৰ 'Kenil-worth', 'Ivanhoe', টলষ্টয়ৰ 'War and Peace', ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত', বেজবৰুৱাৰ 'পদুমকুঁৱৰী' আদিক এই শ্ৰেণীত ধৰিব পাৰি।

**সামাজিক উপন্যাস ঃ**

যিবোৰ উপন্যাসত কোনো ৰাজনৈতিক, অৰ্থনৈতিক বা ধৰ্মমূলক কথাৰ অৱতাৰণা কৰা হয়, সেইবোৰকে বোলা হয় সামাজিক উপন্যাস। সামাজিক ঔপন্যাসিকৰ দৃষ্টি বৰ্তমানতে নিবদ্ধ থাকে, ঐতিহাসিক ঔপন্যাসিকৰ দৰে অতীতমুখী নহয়। কিংছলিৰ 'Yeats', ডিকেন্সৰ 'Hard Times', বীণা বৰুৱাৰ 'জীৱনৰ বাটত', ৰাধিকামোহন গোস্বামীৰ 'চাকনৈয়া' আদি এই শ্ৰেণীৰ উপন্যাস। সামাজিক উপন্যাসক আকৌ কেইটামান উপভাগত ভাগ কৰা হয়। যেতিয়া কোনো সমস্যা বা উদ্দেশ্য উপন্যাসৰ মাজেৰে উপস্থাপিত হয়, তেতিয়া তাক বোলা হয় **উদ্দেশ্যমূলক উপন্যাস (Purpose Novel)**। এই শ্ৰেণীৰ উপন্যাসৰ গঠনভঙ্গি তেনেই শিথিল আৰু চৰিত্ৰবোৰো প্ৰতিনিধিমূলক। ভল্টেয়াৰৰ 'Candide', ডিকেন্সৰ 'David Copperfield', 'Old Curiosity Shop', 'Pick Wick Papers', বঙ্কিমচন্দ্ৰৰ

'বিষবৃক্ষ', হেমচন্দ্ৰ বৰুৱাৰ 'কোৰা ভাতুৰী', সত্যনাথ বৰাৰ 'কেন্দ্ৰসভা' আদি এই শ্ৰেণীৰ উপন্যাস। যিবোৰ উপন্যাসত আখ্যানভাগৰ সুসংবদ্ধ বিকাশৰ ওপৰত গুৰুত্ব নিদি চৰিত্ৰ-চিত্ৰণ আৰু চৰিত্ৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দিয়া হয়, সেইবোৰকে বোলা হয় **মনস্তত্ত্ব বিশ্লেষণমূলক উপন্যাস (Psychological Novel)**। ইংৰাজী সাহিত্যত মেৰেডিথ, ডি.এইচ. লৰেন্স আদিয়ে এই শ্ৰেণীৰ উপন্যাস ৰচনা কৰিছে। অসমীয়া সাহিত্যত সুৰেশ গোস্বামী, আব্দুল মালিক আদিৰ উপন্যাসক এই শ্ৰেণীত পেলাব পাৰি। যেতিয়া উপন্যাসৰ মাজেৰে কোনো এটা বিশেষ সম্প্ৰদায় বা কোনো এটা অঞ্চলৰ কথাকে মুখ্যভাৱে বৰ্ণনা কৰা হয়, তেতিয়া তাক **আঞ্চলিক উপন্যাস (Regional Novel)** বোলে। টমাছ হাৰ্ডিৰ 'Wessex Novel', ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী', বীৰেন ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' এই শ্ৰেণীৰ উপন্যাসৰ উৎকৃষ্ট নিদৰ্শন।

এইবোৰৰ লগতে উপন্যাসৰ আৰু দুটা গৌণ বিভাগৰ কথা উল্লেখ কৰিব পাৰি। সেইবোৰ হ'ল **প্ৰতীকধৰ্মী উপন্যাস (Symbolic Novel)** আৰু **ৰূপকধৰ্মী উপন্যাস (Allegorical Novel)**। যেতিয়া উপন্যাসৰ আখ্যানভাগ তাক হয় আৰু উপন্যাসৰ বিষয়বস্তুৱে বিষয়াতীত ভাব-কল্পনা ব্যক্ত কৰে, তেতিয়া তাকৰ **প্ৰতীকধৰ্মী উপন্যাস** বোলে। মেলভিলৰ 'Mody-Dick', আৰ্নেষ্ট হেমিংৱেৰ 'The Old Man and the Sea' এই শ্ৰেণীৰ উৎকৃষ্ট নিদৰ্শন। যিবোৰ উপন্যাসৰ কাহিনীত সমান্তৰালভাৱে দুটা অৰ্থ উলিয়াব পাৰি, সেইবোৰকে **ৰূপকধৰ্মী উপন্যাস** বোলা হয়। জন বানিয়নৰ 'Pilgrim's Progress', ছুইফ্টৰ 'Gulliver's Travel', কেমুৰ 'La Paste' আদি এই শ্ৰেণীৰ উপন্যাস।

**ডিটেক্‌টিভ উপন্যাস ঃ**

যিবোৰ উপন্যাসৰ মাজেদি গুপ্তহত্যা-আত্মহত্যা, খুন-জখম, অনুসন্ধান, খানাতালাচ আদিৰ কথা ৰোমাঞ্চকৰভাৱে বৰ্ণনা কৰা হয়, সেইবোৰকে ডিটেক্‌টিভ উপন্যাস বোলে। এই শ্ৰেণীৰ উপন্যাসৰ আখ্যানভাগ বৰ জটিল আৰু ৰহস্যপূৰ্ণ হৈ পৰে। অভাৱনীয় ঘটনাবিন্যাস, আকস্মিকতাৰ প্ৰয়োগ আৰু লোমহৰ্ষক সংঘাত সৃষ্টি আদি এই শ্ৰেণীৰ উপন্যাসৰ মুখ্য উপজীব্য। ইংৰাজী সাহিত্যত ক'নেন ডয়েল, এডগাৰ এলেন্‌ছ, আগাথা ক্ৰিষ্টি আদিয়ে এই শ্ৰেণীৰ উপন্যাস ৰচনা কৰি গৈছে। অসমীয়া সাহিত্যতো এই শ্ৰেণীৰ উপন্যাস কিছু আছে। কুমুদ বৰঠাকুৰৰ উপন্যাসিকাৰাজি, প্ৰেমনাৰায়ণ দত্তৰ 'পা-ফু ছিৰিজ', ড° ভবেন শইকীয়াৰ 'আতঙ্কৰ শেহত' এই শ্ৰেণীৰ উৎকৃষ্ট নিদৰ্শন।